নং ঃ ৭০০/২০২০

# গোলাঘাট জিলাৰ ডাবিডুবিত অসম অগৰ আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰিলে মুখ্যমন্ত্ৰীয়ে

## অগৰ আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ শ্বহীদ কুশল কোঁৱৰৰ নামেৰে নামাকৰণ কৰা হ'ব

## অসমক আত্মনিৰ্ভৰশালী ৰাজ্য হিচাপে গঢ়ি তোলাৰ লক্ষ্যৰে অগৰ বাণিজ্য কেন্দ্ৰ স্থাপনৰ পদক্ষেপ লোৱা হৈছে ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২১ অক্টোবৰ ঃ** ৰাজ্যখনৰ ঔদ্যোগিক খণ্ডৰ উত্তৰণৰ এক বৃহৎ পদক্ষেপ হিচাপে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি গোলাঘাট জিলাৰ ডাবিডুবিত দেশৰ ভিতৰতে প্ৰথম অসম অগৰ আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। দেশৰ ভিতৰতে প্ৰথম এই আন্তৰ্জাতিক অগৰ বাণিজ্য কেন্দ্ৰই ৰাজ্যখনৰ অগৰ উৎপাদনকাৰী আৰু ইয়াৰ লগত জড়িত উদ্যোগীসকলৰ ব্যৱসায়িক সম্ভাৱনীয়তা বিকশাই তোলাৰ দিশত বিশেষভাৱে সহায় কৰিব।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে বৰ্তমানৰ ৰাজ্য চৰকাৰখনলৈ আগবঢ়াই অহা সহায়-সহযোগিতাৰ বাবে ৰাজ্যখনৰ জনসাধাৰণলৈ ধন্যবাদ জ্ঞাপন কৰি কয় যে অসম অগৰ আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰই ৰাজ্যখনক আত্মনিৰ্ভৰশীল ৰাজ্য হিচাপে গঢ়ি তোলাৰ দিশত এক বৃহৎ পদক্ষেপ হিচাপে বিবেচিত হ'ব। ২০২২ চনৰ ভিতৰত ৰাজ্যখনৰ কৃষকসকলৰ আয় দুগুণলৈ বৃদ্ধি কৰাৰ লক্ষ্য বাস্তৱায়িত কৰাৰ দিশত ৰাজ্য চৰকাৰৰ দায়বদ্ধতাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে অগৰ আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰ এই পদক্ষেপসমূহৰ ভিতৰত এক বৃহৎ পদক্ষেপ বুলিও উল্লেখ কৰে। ৰাজ্যখনৰ ঔদ্যোগিক বিকাশৰ দিশত বৰ্তমানৰ ৰাজ্য চৰকাৰখনে লোৱা পদক্ষেপসমূহৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে চৰকাৰখনে শাসনভাৰ লোৱাৰ পিছতেই ৰাজ্যখনৰ ঔদ্যোগিক বিকাশৰ দিশত সহায়ক হোৱাকৈ চৰকাৰখনে 'এডভাণ্টেজ আছাম' শীৰ্ষক বিশ্ব বিনিয়োগ সন্মিলনৰ আয়োজন কৰিছিল। এই বিশ্ব বিনিয়োগ সন্মিলনতে ৰাজ্যখনত ৭৯ হাজাৰ কোটি টকাৰ বিনিয়োগৰ প্ৰতিশ্ৰুতিৰে ২৪০ খনতকৈও অধিক বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হৈছিল বুলিও মুখ্যমন্ত্ৰীয়ে কয়। ইয়াৰ ভিতৰত ৪০ হাজাৰ কোটি টকা ইতিমধ্যে বিভিন্ন খণ্ডত বিনিয়োগেৰে ৰাজ্যখনৰ ঔদ্যোগিক বিকাশৰ দিশত এক অনুকূল পৰিৱেশ সৃষ্টি হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। পৰিবহনৰ জৰিয়তে পৰিবৰ্তনৰ সূচনা কৰিবলৈ বৰ্তমানৰ চৰকাৰখনে হাইৱে, ৰে'লৱে, ৱাটাৰৱে, এয়াৰৱে আৰু ইণ্টাৰনেট ৱেৰ উন্নয়নৰ দিশত কেতবোৰ বিশেষ পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। বঙাইগাওঁ জিলাৰ যোগীঘোপাত নিৰ্মাণ কাৰ্যৰ শুভাৰম্ভ কৰা 'মাল্টি মডেল লজিষ্টিক্স

হাবে' ৰাজ্যখনৰ সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰাৰ দিশত বিশেষভাৱে সহায় কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়। এই পদক্ষেপে ৰাজ্যখনক তথা দেশখনক আত্মনিৰ্ভৰশীল হোৱাৰ দিশত লোৱা লক্ষ্য পূৰণৰ দিশতো বিশেষভাৱে সহায় কৰিব বুলি তেওঁ কয়। বিগত চৰকাৰৰ কাৰ্যকাল তথা বৰ্তমানৰ বিজেপি নেতৃত্বাধীন চৰকাৰৰ দিনত হোৱা দ্ৰুত উন্নয়নৰ তুলনা কৰি মুখ্যমন্ত্ৰীয়ে ৰাজ্যখনক দুৰ্নীতিমুক্ত, প্ৰদূষণমুক্ত, বিদেশীমুক্ত আৰু সন্ত্ৰাসমুক্ত ৰাজ্য হিচাপে গঢ়ি তোলাৰ দিশত চৰকাৰখনে লোৱা লক্ষ্য পূৰণৰ দিশত বহুলাংশে সফল হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। চৰকাৰখনে ধাৰ্য কৰা লক্ষ্য পূৰণৰ দিশত জনসাধাৰণে আগবঢ়োৱা অকুণ্ঠ সমৰ্থনৰ বাবে মুখ্যমন্ত্ৰীয়ে অসমবাসীলৈ বিশেষভাৱে ধন্যবাদ জ্ঞাপন কৰে। বিগত চাৰে চাৰি বছৰত গঁড় হত্যা প্ৰায় শূন্যলৈ অৱনমিত হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে বন্যপ্ৰাণী হত্যা ৰোধৰ বাবে গঠন কৰা ফাষ্ট ট্ৰেক কোৰ্ট স্থাপনে এই দিশত বিশেষভাৱে সহায় কৰিছে বুলিও কয়। বিকাশৰ এই দ্ৰুত ধাৰা অব্যাহত আছে যদিও ৰাজ্যখনৰ সকলো শ্ৰেণীৰ জনসাধাৰণৰ সৰ্বাংগীন কল্যাণৰ বাবে চৰকাৰখনে ভৱিষ্যতেও এক সঠিক পৰিকল্পনাৰে আগবঢ়াৰ বাবে পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। শ্বহীদ কুশল কোঁৱৰৰ প্ৰতি উপযুক্ত সন্মান প্ৰদৰ্শন কৰাৰ বাবে অসম অগৰ আন্তৰ্জাতিক বাণিজ্য কেন্দ্ৰটো শ্বহীদ গৰাকীৰ নামেৰে নামাকৰণ কৰা হ'ব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে ৰাজ্যখনৰ সামগ্ৰিক ঔদ্যোগিক উন্নয়নৰ বাবে মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে গ্ৰহণ কৰা বলিষ্ঠ পদক্ষেপৰ শলাগ লয়। ৰাজ্যখনত অগৰ বাণিজ্য কেন্দ্ৰ স্থাপনৰ এক বহুদিনীয়া অভাৱ আজিৰ আধাৰশিলা স্থাপন কৰা কেন্দ্ৰটোৱে পূৰণ কৰিব বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে এই কেন্দ্ৰটোৱে অগৰ খেতিৰ সৈতে জড়িত ব্যক্তি, ঔদ্যোগীসকলক তেওঁলোকৰ উৎপাদিত সামগ্ৰী বিপণনৰ দিশত বিশেষভাৱে সহায় কৰিব বুলিও কয়। এই অগৰ বাণিজ্য কেন্দ্ৰটোৰ নিৰ্মাণ নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে নিশ্চিত কৰাৰ বাবে উদ্যোগ আৰু বাণিজ্য বিভাগে বিশেষ পদক্ষেপ ল'ব বুলিও তেওঁ কয়।

উদ্যোগ আৰু বাণিজ্য বিভাগৰ আয়ুক্ত সচিব ড° কে কে দ্বিৱেদীয়ে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত কৃষিমন্ত্ৰী অতুল বৰা, খুমটাই সমষ্টিৰ বিধায়ক মৃণাল শইকীয়াইও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত লাহোৱাল বিধানসভা সমষ্টিৰ বিধায়ক ঋতুপৰ্ণ বৰুৱা, অসম ঔদ্যোগিক উন্নয়ন নিগমৰ অধ্যক্ষ মিছন ৰঞ্জন দাস, উপাধ্যক্ষ জিতু তালুকদাৰ, অসম চাহ নিগম লিমিটেডৰ অধ্যক্ষ অমিয় কুমাৰ বৰা, অসম সংখ্যালঘু উন্নয়ন পৰিষদৰ অধ্যক্ষ মমিনুল আৱাল, নুমলীগড় শোধনাগাৰ লিমিটেডৰ পৰিচালন সঞ্চালক এছ কে বৰুৱাকে ধৰি অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

**সুঃদঃ / বঃভাঃ / পুঃডেঃ**
**২১/১০/২০২০**